# 2014

## ELECTIVE ASSAMESE

Paper : 6.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×৭=৭

(ক) বৰবৰুৱাই 'বিমান বিহাৰ'ত কি ৰথৰ কথা উল্লেখ কৰিছে?

(খ) কিমান চনত ৰাইট ভ্ৰাতৃদ্বয়ে প্ৰথম বিমান উৰুৱাইছিল?

(গ) মাইকেল এঞ্জিলো কোন আছিল?

(ঘ) 'সাহিত্যত করুণ ৰস' প্ৰবন্ধটি কাৰ ৰচনা?

(ঙ) ৰত্নাকৰ কন্দলি আৰু অৰ্জুনদাস বৈৰাগী কোন আছিল?

(চ) আত্মজীৱন-চৰিত মানে কি?

(ছ) হেমচন্দ্ৰ বৰুৱাৰ পিতৃৰ নাম কি আছিল?

২। চমু উত্তৰ দিয়া (যি কোনো চাৰিটা) : ২×৪=৮

(ক) ‘কথা-ৰামায়ণ’ৰ কাহিনীভাগ কোনে, কাক কৈ আছে?

(খ) ‘ত্ৰিপুৰা বুৰঞ্জী’ৰ বচক কোন?

(গ) সঞ্চাৰী ভাৱ কিমান প্ৰকাৰৰ?

(ঘ) লম্বাই শৰ্মা কোন আছিল?

(ঙ) বিসূচিকা ৰাক্ষসী কোন আছিল?

(চ) শ্ৰীকৃষ্ণই অৰ্জুনক অলৌকিক জ্ঞানচক্ষু কিয় দান কৰিছিল?

(ছ) “হে গুৰু তোহো কুশলে আৱল / তোহ্যবি পদৰেণুৱে গৃহসৱ পৱিত্ৰ ভেল।” এই কথাখিনি কোনে, কাক কৈছিল?

৩। ত্ৰিপুৰা ৰজাৰ আ-অলংকাৰ আৰু সাজপাৰৰ বিষয়ে চমু আলোচনা কৰা। ৫

*অথবা*

ৰুক্মিণীয়ে কাৰ জৰিয়তে শ্ৰীকৃষ্ণলৈ বাৰ্তা পঠিয়াইছিল? তেওঁৰ কথা শুনি শ্ৰীকৃষ্ণৰ মনৰ অৱস্থা কেনে হৈছিল, বৰ্ণনা কৰা।

৪। চমু টোকা লিখা (যি কোনো এটা) : ৫

বেদনিধি ; কথা-ৰামায়ণ ; ত্ৰিপুৰা বুৰঞ্জী।

*অথবা*

কৃষ্ণৰতি মানে কি? গৌড়ীয় বৈষ্ণৱ আলংকাৰিকসকলে ৰতিৰ অৰ্থ কেনেদৰে ব্যাখ্যা কৰিছে?

৫। শ্ৰীকৃষ্ণই অৰ্জুনক কিয় বিশ্বৰূপ দৰ্শন কৰাইছিল? ৫

*অথবা*

"দশ বিপ্ৰাধিক অধ্যাপক, দশ অধ্যাপকতো অধিক পিতৃ, পিতৃতো দশগুণে মাতৃ।" কথাষাৰ কোনে, কাক, কি প্ৰসঙ্গত কৈছিল, উল্লেখ কৰি কথাখিনিৰ তাৎপৰ্য বিচাৰ কৰা।

৬। সাহিত্যত সংযত কৰুণ ৰসৰ কেনেদৰে প্ৰকাশ ঘটে বুলি প্ৰবন্ধকাৰে ব্যাখ্যা কৰিছে? ১০

*অথবা*

অংকীয়া নাট কাক বোলে? 'অংকীয়া নাটৰ ৰসবিচাৰ' নামৰ প্ৰবন্ধত বিভিন্ন ৰসৰ প্ৰকাশ কেনেদৰে ঘটিছে বুলি প্ৰবন্ধকাৰে আলোচনা কৰিছে তাক ব্যাখ্যা কৰা।

৭। হেমচন্দ্ৰ বৰুৱাই বিধবা বিবাহৰ সপক্ষে কি কি যুক্তি দাঙি ধৰিছিল? ১০

*অথবা*

'কথা-ৰামায়ণ'ৰ বিভিন্ন চৰিত্ৰৰ মাজেদি চৰিত্ৰ-চিত্ৰণৰ বৈশিষ্ট্য কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৮। 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' প্ৰবন্ধটিৰ মূল কথাখিনি তোমাৰ নিজৰ ভাষাৰে প্ৰকাশ কৰা। ১০

*অথবা*

সাহিত্যত কৰুণ ৰস বুলি ক'লে কি বুজা যায়? এই বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা।

★★★